# দ্বিতীয় বিশ্বযুদ্ধ

## ইতিহাস

**পাঠভিত্তিক অনুশীলনীৰ প্ৰশ্ন আৰু উত্তৰ**

**প্ৰশ্ন ১। তলত দিয়া ঘটনাবোৰৰ চন-তাৰিখ উল্লেখ কৰা :**

১। জাৰ্মানীৰ ছোভিয়েট ৰাচিয়া আক্ৰমণ।

২। অপাৰেচন টৰ্চ।

৩। প্ৰিন্স অব ওৱেলছৰ পতন।

৪। ছিংগাপুৰৰ আত্মসমৰ্পণ

৫। হিৰ'ছিমা আৰু নাগাচাকিত এটম বোমা নিক্ষেপ।

৬। দোগলাছ মেক আৰ্থাৰৰ ওচৰত জাপানৰ আত্মসমৰ্পণ।

৭। ফিলিপাইনছৰ স্বাধীনতা।

**উত্তৰ:-** তলত ঘটনাবোৰৰ চন-তাৰিখ উল্লেখ কৰা হ'ল-

| **সংঘটিত ঘটনা** | **চন তাৰিখ** |
|---|---|
| ১। জাৰ্মানীৰ ছোভিয়েট বাচিয়া আক্ৰমণ | ১৯৪১ চনৰ ২২ জুন |
| ২। অপাবেচন টৰ্চ | ১৯৪২ জনৰ অক্টোৱৰত |
| ৩। প্ৰিন্স অৱ ওৱেলছৰ পতন | ১৯৪১ চনৰ ১০ ডিচেম্বৰ |
| ৪। ছিংগাপুৰৰ আত্মসমৰ্পণ | ১৯৪২ চনৰ ১৫ ফেব্ৰুৱাৰীত |
| ৫। হিৰ'ছিমা আৰু নাগাচাকিত এটম বোমা নিক্ষেপ | হিৰ'ছিমাত ১৯৪৫ৰ ৬ আগষ্ট নাগাচাকিত ১৯৪৫ চনৰ ৯ আগষ্ট |

| | |
|---|---|
| ৬৷দোগলাছ মেক আৰ্থাবৰ ওচৰত জাপানৰ আত্মসমৰ্পণ | ১৯৪৫ চনৰ ২ চেপ্তেম্বৰ |
| ৭৷ ফিলিপাইনছৰ স্বাধীনতা | ১৯৪৫ চনত৷ |

## তলত উল্লেখ কৰা প্ৰশ্নবোৰৰ উত্তৰ দিয়া

প্ৰশ্ন ১৷ নৰওৱে আক্ৰমণত হিটলাৰে কিমানখন যুদ্ধ জাহাজ ব্যৱহাৰ কৰিছিল ?

**উত্তৰ:-** নৰওৱে আক্ৰমণত হিটলাৰে ৮০০ খন যুদ্ধ জাহাজ ব্যৱহাৰ কৰিছিল৷

প্ৰশ্ন ২৷ ভাইডকুন কুইজলিং কোন আছিল ?

**উত্তৰ:-** ভাইডকুন কুইজলিং নৰওৱেৰ লোক আছিল৷ তেওঁ ফেচীবাদৰ

সমৰ্থক আছিল৷ ভাইডকুন কুইজলিঙৰ নেতৃত্বত নৰওৱেত এটা ফেচিষ্ট দল সংগঠন কৰি হিটলাৰৰ সৈতে যোগাযোগ আৰম্ভ কৰা হৈছিল৷

প্ৰশ্ন ৩৷ ফ্ৰি ফ্ৰান্স আন্দোলন কোনে সংগঠিত কৰিছিল ?

**উত্তৰ:-** ফ্ৰি ফ্ৰান্স আন্দোলনৰ সংগঠক হ'ল কৰ্ণেল (পিছত জেনেৰেল) ছাৰ্লচ ডি গলো সহ কেইগৰাকীমান সামৰিক বিষয়া৷এওঁলোকে হিটলাৰৰ হাতত ফ্ৰান্সৰ পতন হোৱাত ইংলেণ্ডলৈ পলায়ন কৰিছিল আৰু তাত ফ্ৰি ফ্ৰান্স আন্দোলন গঢ়ি তুলিছিল৷

প্ৰশ্ন ৪৷ অপাৰেচন ছি লায়ন নাম ভূমিকাত হিটলাৰে কোন দেশ আক্ৰমণ কৰিছিল ?

**উত্তৰ:-** অপাবেচন ছি লায়ন নাম ভূমিকাত হিটলাবে ইংলেণ্ড আক্ৰমণ কৰিছিল৷

প্ৰশ্ন ৫৷ ছিংগাপুৰৰ সমীপত কোন দেশে ব্ৰিটিছ যুদ্ধ জাহাজ প্ৰিন্স অৱ ওৱেলছ আৰু ৰিপালছক বিধ্বস্ত কৰিছিল ?

**উত্তৰ:-** ছিংগাপুৰৰ সমীপত জাপানে ব্ৰিটিছ যুদ্ধ জাহাজ প্ৰিন্স অব ওৱেলছ আৰু ৰিপাল্ছক বিধ্বস্ত কৰিছিল৷

প্ৰশ্ন ৬৷ ডিজাৰ্ট ফক্‌ছ ৰূপে পৰিচিত লোকজন কোন আছিল ?

**উত্তৰ:-** ডিজাৰ্ট ফক্‌ছ ৰূপে পৰিচিত লোকজন হিটলাৰৰ একৰাকী সুদক্ষ সেনাধ্যক্ষ আছিল। তেওঁৰ নাম আছিল আবউইন ৰোমেল।

প্ৰশ্ন ৭। ফৰমোছাৰ নতুন নামটো কি ?

**উত্তৰ:-** ফৰমোছাৰ নতুন নামটো হৈছে টাৱাইন।

প্ৰশ্ন ৮। হিৰ'ছিমা আৰু নাগাচাকিত এটম বোমা পেলোৱাৰ সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট কোন আছিল ?

**উত্তৰ:-** হিৰ'ছিমা আৰু নাগাচাকিত এটম বোমা পেলোৱাৰ সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট আছিল হেৰি এছ. ট্ৰুমেন।

প্ৰশ্ন ৯। হিৰ'ছিমাত কোনে এটম বোমা পেলাইছিল ?

**উত্তৰ:-** হিৰ'ছিমাত এটম বোমা পেলাইছিল মাৰ্কিন বৈমানিক এনোলা গে নামৰ লোকজনে।

প্ৰশ্ন ১০। নাগাচাকিত এটম বোমা পেলোৱা বৈমানিকজনৰ নাম কি ?

**উত্তৰ:-** নাগাচাকিত এটম বোমা পেলোৱা বৈমানিকজনৰ নাম আছিল মাৰ্কিন, বৈমানিক চাৰ্লছ ডব্লিউ ছোইনী।

প্ৰশ্ন ১১। মুছোলিনিৰ ঘৈনীয়েকৰ নাম কি ?

**উত্তৰ:-** মুছোলিনিৰ ঘৈনীয়েকৰ নাম হৈছে ক্লাট্টো পেটাচ্চী।

প্ৰশ্ন ১২। ১৯৪৩ চনৰ আগষ্টৰ পিছত মিত্ৰ শক্তিৰ সামৰিক প্ৰধান কোন আছিল ?

**উত্তৰ:-** ১৯৪৩ চনৰ আগষ্টৰ পিছত মিত্ৰশক্তিৰ সামৰিক প্ৰধান আছিল লৰ্ড লুই মাউণ্টবেটেন।

প্ৰশ্ন ১৩। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সেনাধ্যক্ষ দোগলাছ মেক আৰ্থাৰৰ ওচৰত জাপানে ক'ত আত্মসমৰ্পণ কৰিছিল ?

**উত্তৰ:-** মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সেনাধ্যক্ষ দোগলাছ মেক আৰ্থাৰৰ ওচৰত জাপানে টকিঅ' উপসাগৰত মিছৌবী নামে যুদ্ধ জাহাজত আত্মসমৰ্পণ কৰিছিল।

প্ৰশ্ন ১৪। জাৰ্মানীয়ে ৰাচিয়া আক্ৰমণ কৰোঁতে কি গুপ্ত নাম লৈছিল ?

**উত্তৰ:-** জাৰ্মানীয়ে ৰাচিয়া আক্ৰমণ কৰোতে লোৱা গুপ্ত নামটো হৈছে অপাৰেচন বাৰবাৰোছা।

প্ৰশ্ন ১৫। কোন কোন দেশে অপাৰেচন ওভাৰলৰ্ড গুপ্ত নামেৰে নাজী জাৰ্মানী আক্ৰমণ কৰিছিল ?

**উত্তৰ:-** ইংগ-মাৰ্কিন বাহিনীয়ে অপাবেচন-ভাৰলৰ্ড গুপ্ত নামেৰে-নাজী ও জাৰ্মানী আক্ৰমণ কৰিছিল।

## চমু উত্তৰ দিয়া

**প্ৰশ্ন ১। দ্বিতীয় বিশ্বযুদ্ধৰ স্তৰকেইটা কি কি আছিল ?**

**উত্তৰ:-** দ্বিতীয় বিশ্বযুদ্ধৰ ঘটনা প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৫ টা ভৰত ভাগ কৰিব পাৰি। সেই স্তৰসমূহ হ'ল—

(ক) প্ৰথম স্তৰ ১৯৩৯ চনৰপৰা ৪০ চনলৈ।

(খ) দ্বিতীয় স্তৰ ১৯৪০ চনৰপৰা ৪১ চনলৈ।

(গ) তৃতীয় স্তৰ ১৯৪১ চনৰপৰা ৪২ চনলৈ।

(ঘ) চতুৰ্থ স্তৰ ১৯৪২ চনৰপৰা ৪৪ চনলৈ।

(ঙ) পঞ্চম স্তৰ–১৯৪৪ চনৰপৰা ৪৫ চনলৈ।

**প্ৰশ্ন ২। কি পৰিস্থিতিত মাৰ্কিন যুক্তৰাষ্ট্ৰই দ্বিতীয় বিশ্বযুদ্ধত অংশ গ্ৰহণ কৰিছিল ?**

**উত্তৰ:-** ১৯৪১ চনৰ ৭ ডিচেম্বৰ তাৰিখে জাপানে অতৰ্কিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওপৰত নিজ আধিপত্য বিস্তাৰৰ বাবে আক্ৰমণ চলায়। সেই সময়তে জাপানৰ প্ৰতিনিধি দল এটাই লোকক দেখুওৱাৰ উদ্দেশ্যে আমেরিকা যুক্তৰাষ্ট্ৰৰ সৈতে ৱাশ্বিংটনত শান্তি চুক্তি এটা স্বাক্ষৰ কৰাৰ বাবে আলোচনা কৰি আছিল। আমেৰিকাত হোৱা অতৰ্কিত আক্ৰমণৰ পিছ দিনাখনেই আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ডে জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এইদৰে যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় দুবছৰৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰই দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত হৈ পৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই যুদ্ধত অংশ গ্ৰহণ কৰি যিকোনো প্ৰকাৰে জাপানক পৰাস্ত কৰিবলৈ প্ৰাণেপনে চেষ্টা চলায়। আমেরিকা যুক্তরাষ্ট্ৰই ইউৰোপৰ ৰণাংগণত ফেচিষ্ট জোঁটৰ পৰাজয়ৰ বাবে যুদ্ধৰ আৰম্ভণিৰ পৰাই ব্ৰিটেইন আৰু ফ্ৰান্সক অস্ত্ৰ-শস্ত্ৰেৰে সহায় কৰি আহিছিল। পৰৱৰ্তী কালত মাৰ্কিন যুক্তৰাষ্ট্ৰই নিজেই যুদ্ধৰ অংশীদাৰ হৈ পৰে।

## প্ৰশ্ন ৩। হিৰ'ছিমা আৰু নাগাচাকিত এটম বোমা নিক্ষেপ কাৰ্য।

**উত্তৰ:-** দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত ছোভিয়েট ৰাচিয়াই গ্ৰহণ কৰা ভূমিকাৰ প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী চিন্তিত আৰু শংকিত হৈ পৰিছিল। সেয়ে ছোভিয়েট ৰাচিয়াক পৰাভূত কৰি যুদ্ধৰ গতিধাৰা নিজৰ নিয়ন্ত্ৰণত ৰাখিবৰ বাবে মাৰ্কিন প্ৰেচিডেণ্ট হেবি. এছ. ট্ৰুমেনে জাপানৰ ওপৰত আণৱিক বোমা নিক্ষেপ কৰিবলৈ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত কাৰ্যত পৰিণত কৰিবলৈ ১৯৪৫ চনৰ ৬ আগষ্টত হিৰ'ছিমাত প্ৰথমটো আণৱিক বোমা নিক্ষেপ কৰা হয়। এই বোমা বৰ্ষণৰ ফলত নগৰখনৰ অৰ্ধসংখ্যক অঞ্চল ধ্বংস হোৱাৰ লগতে ৮০,০০০ সাধাৰণ লোকৰ মৃত্যু হয়। মাৰ্কিন বৈমানিক এনোলো গে নামে লোকজনৰদ্বাৰা এই কাৰ্য সংঘটিত হয়। ১৯৪৫ চনৰ ৯ আগষ্টৰ দিনা জাপাৰৰ নাগাচাকি অঞ্চলত দ্বিতীয়টো বোমা নিক্ষেপ কৰা হয়। এই বোমাটো নিক্ষপ কৰিছিল মাৰ্কিন বৈমানিক চাৰ্লছ ডব্লিউ ছুইনীয়ো ইয়াৰদ্বাৰা উক্ত চহৰখন ধ্বংস হোৱাৰ লগতে প্ৰায় ২,৪০,০০০ জন লোকে মৃত্যুবৰণ কৰে।

## প্ৰশ্ন ৪। পোলেণ্ডত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

**উত্তৰ:-** পোলেণ্ডত হিটলাৰে কৰা আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ প্ৰতিৰোধ সংগ্ৰাম সংগঠিত কৰা হৈছিল। দেশপ্ৰেমিকলোক জেনেৰেল ছিকোবস্কীৰ ' নেতৃত্বত প্ৰথমে ফ্ৰান্স আৰু পিছত লণ্ডনত এখন পলৰীয়া চৰকাৰ গঠন কৰি পোলেণ্ডৰ প্ৰতিৰোধ সংগ্ৰাম পৰিচালনা কৰা হৈছিল। ১৯৪২ চনত পোলেণ্ডৰ কমিউনিষ্ট দলে সুকীয়াকৈ জাৰ্মানীৰ আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবোধ সংগ্ৰাম গঢ়ি তুলিছিল। পৃথক পৃথক ভাৱে সংগঠিত আৰু পৰিচালিত হোৱা এই প্ৰতিৰোধ সংগ্ৰামে জনসাধাৰণৰ মাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল।

**প্ৰশ্ন ৫। ফ্ৰান্সত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।**

**উত্তৰ:-** হিটলাৰে ফ্ৰান্স অধিকাৰ কৰাৰ লগে লগে ফ্ৰান্সৰ জাতীয়তাবাদী সামৰিক বিষয়া চাৰ্লছ্-ডি গলে ইংলেণ্ডলৈ পলাই গৈ তাত দেশৰ মুক্তিৰ বাবে "ফ্ৰি ফ্ৰেন্স মোভমেণ্ট" গঢ়ি তুলিছিল। লণ্ডনক কেন্দ্ৰ কৰি ডি গলৰ নেতৃত্বত ফেছীবাদ বিৰোধী প্ৰতিৰোধ আন্দোলন চলি থকা অৱস্থাতেই ফ্ৰান্সত – কমিউনিষ্টসকলৰ নেতৃত্বত ১৯৪২ চনত "নেচনেল ফ্ৰণ্ট" গঠন কৰি সকলো শ্ৰেণীৰ ফেচিষ্ট বিৰোধী লোকক একত্ৰিত কৰা হৈছিল।

এইদৰে দেশৰ ভিতৰতে গঢ়ি উঠা প্ৰতিৰোধ সংগ্ৰামৰ ফলত আভ্যন্তৰীণভাৱে প্ৰায় ৫,০০,০০০ লোকৰ এক শক্তিশালী সামৰিক গোট গঢ়ি উঠিছিল। এই গোটটোৰ সদস্যসকলে ফ্ৰান্সত বিভিন্ন ধৰণৰ কূটাঘাতমূলক কাৰ্য সংঘটিত কৰি দখলদাৰী জাৰ্মান সৈনিকসকলক ব্যতিব্যস্ত কৰি ৰখাৰ লগতে তেওঁলোকৰ আগ্ৰাসনত বাধা প্ৰদান কৰিছিল। এওঁলোকে ফ্ৰালত থকা জাৰ্মানীৰ সমৰ্থকসকলোকো ৰেহাই দিয়া নাছিল। ডি গলে কমিউনিষ্টৰে ধৰি সকলো ফৰাচী প্ৰতিৰোধ সংগ্ৰামীক লৈ এখন অস্থায়ী চৰকাৰ গঠন কৰি প্ৰতিৰোধ সংগ্ৰাম অধিক শক্তিশালী কৰি তুলিছিল। ফ্ৰান্সৰ এই ফেচিষ্ট বিৰোধী প্ৰতিৰোধ সংগ্ৰামৰ নেতা-কৰ্মীসকলে ফ্ৰান্সত মিত্ৰ পক্ষৰ সৈনিক অৱতৰণ কৰা আৰু নাজিসকলক ফ্ৰান্সৰ পৰা খেদি পঠিওৱাত প্ৰভূত বৰঙণি যোগাইছিল।

**প্ৰশ্ন ৬। যুগোশ্লাভিয়াত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।**

**উত্তৰ:-** যুগোশ্লাভিয়াত কমিউনিষ্টসকলৰ নেতৃত্বত ফেচীবাদ বিৰোধী প্ৰতিৰোধ সংগ্ৰামে গা কৰি উঠিছিল। তেওঁলোকৰ নেতা আছিল সামৰিক বিষয়া মাৰ্চ্ছাল যোছেফ ব্ৰজ টিটো। এওঁলোকৰ প্ৰতিৰোধ সংগ্ৰাম অতি তীব্ৰভাৱে সংঘটিত হৈছিল।এই সংগ্ৰাম পৰিচালিত হৈছিল এফালে জাৰ্মানসকলৰ বিৰুদ্ধে আৰু আনফালে যুগোশ্লাভিয়াৰ ভিতৰত থকা দেশীয় নাজি সমৰ্থকসকলৰ বিৰুদ্ধে।টিটোৰ নেতৃত্বত কমিউনিষ্টসকলে নাজিসকলৰ বিৰুদ্ধে গণমুক্তি বাহিনী গঠন কৰি যুগোশ্লাভিয়াক নাজিসকলৰ কৱলৰপৰা মুক্ত কৰাৰ আঁচনি লৈ তাক কৃতকাৰ্যতাৰে ৰূপায়ণ কৰিছিল।

এই খিনিতে উল্লেখযোগ্য যে বিদেশত গঠন কৰা যুগোশ্লাভিয়াৰ পলৰীয়া চৰকাৰে আভ্যন্তৰীণভাৱে বিশেষ জনসমৰ্থন লাভ কৰা নাছিল। কিন্তু টিটোৱে গঢ়ি তোলা প্ৰতিৰোধ সংগ্ৰামৰ প্ৰতি জনসাধাৰণ বিপুল সমৰ্থন আছিল। ইয়াৰ ফলস্বৰূপে ১৯৪৪ চনৰ ভিতৰত যুগোশ্লাভিয়া নাজিসকলৰ কৱলৰপৰা সম্পূৰ্ণৰূপে মুক্ত হৈ পৰিছিল।

**প্ৰশ্ন ৭। গ্ৰীচত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।**

**উত্তৰ:-** উত্তৰ। ১৯৪০ চনৰ অক্টোৱৰ মাহত মুছোলিনিয়ে গ্ৰীচৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ গ্ৰীচ আক্ৰমণ কৰে।গ্ৰীকসকলে এই আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল আৰু তাত সফলতা লাভ কৰিছিল।মুছোলিনীয়ে গ্ৰীচ দখল কৰিবলৈ আহি ব্যৰ্থ হৈ উভতি যোৱাৰ পিছত হিটলাৰে এই দেশ আক্ৰমণ কৰি দখল কৰাত গ্ৰীচ চৰকাৰৰ পতন ঘটে আৰু ৰজাই কাইৰোলৈ পলায়ন কৰি তাত এখন পলৰীয়া চৰকাৰ গঠন কৰে।এনে অৱস্থাত গ্ৰীক কমিউনিষ্টসকলে জাতীয় মুক্তি বাহিনী আৰু জাতীয় জনপ্ৰিয় মুক্তি বাহিনী গঠন কৰি জাৰ্মান নাজি বাহিনীৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলে।

গ্ৰীক কমিউনিষ্টসকলে আন আন দেশপ্ৰেমিক দল আৰু ব্যক্তিৰ সহায়ত এই প্ৰতিৰোধ সংগ্ৰামৰ যোগেদি ১৯৪৪ চনৰ শেষলৈ নাজি দখলৰ পৰা দেশখন মুক্ত কৰি ৰাখে।আনহাতে গ্ৰীচৰ অভ্যন্তৰত থাকি প্ৰতিৰোধ সংগ্ৰামৰ নেতৃত্ব দিয়া কমিউনিষ্ট দল আৰু অন্যান্য দল আৰু ব্যক্তিৰ বিৰুদ্ধে কাইৰোত থকা পলৰীয়া চৰকাৰে অতি সোনকালে সংঘৰ্ষত লিপ্ত হৈ পৰে। তেওঁলোকে ব্ৰিটিছৰ সহায়ত গ্ৰীচত চৰকাৰ গঠন কৰিবলৈ চেষ্টা কৰাত দুয়োপক্ষৰ মাজত সংঘাতে দেখা দিয়ে আৰু ইয়ে শেষত গৃহ যুদ্ধলৈ পৰিৱৰ্তিত হয়। ১৯৪৬ চনৰ মে' মাহৰ পৰা ১৯৪৯ চনৰ অক্টোৱৰ মাহলৈ চলা এই যুদ্ধই গ্ৰীচক অতি দুৰ্বল কৰি পেলাইছিল।

## প্ৰশ্ন ৮। ভিয়েটনামত সংগঠিত প্ৰতিৰোধ সংগ্ৰাম।

**উত্তৰ:-** ভিয়েটনামৰ প্ৰতিবোধ সংগ্ৰাম ভিয়েটনাম লীগ নামৰ কমিউনিষ্ট দলটোৰ নেতৃত্বত সংঘটিত হৈছিল। ইয়াৰ নেতৃত্ব দিছিল হো-চি-মিন নামৰ ব্যক্তি গৰাকীয়ে।১৯৪১ চনত সংগঠিত এই সংগঠনটোৱে এফালে ভীকি ফ্ৰান্সৰ আৰু আনফালে সামৰিক্ষ। সাম্ৰাজ্যবাদী শক্তি জাপানৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল। ১৯৪১ চনৰ চেপ্তেম্বৰ মাহত ভিয়েটনাম লীগে ভিয়েটন।মক প্ৰজাতান্ত্ৰিক চৰকাৰৰূপে ঘোষণা কৰি তাত এখন নতুন চৰকাৰ গঠন কৰিছিল।

কিন্তু বিশ্বযুদ্ধৰ পৰবৰ্তীকালতো ভিয়েটনামৰ ৰাজনৈতিক ক্ষেত্ৰত কোনো সুমীমাংসা হোৱা নাছিল। কাৰণ জাপানৰ পৰাজয়ৰ পিছত ভিয়েটমিনসকলে ভিয়েটনামক ফ্ৰান্সৰ কালৰপৰা মুক্ত কৰিলেও কমিউনিষ্টসকলক বিতাড়ন কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই ভিয়েটনামৰ ওপৰত সামৰিক অভিযান চলাইছিল।এই অভিযান ১৯৭৩ চনলৈ অব্যাহত আছিল। অৱশেষত ১৯৭৩ চনত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰায় ত্ৰিশ বছৰ কাল ধৰি চলা এই ভিয়েটনাম যুদ্ধত পবাতি হৈ ভিয়েটনামৰ পৰা আঁতৰি যাবলৈ বাধ্য হয়।

## প্ৰশ্ন ৯। দ্বিতীয় বিশ্বযুদ্ধত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ।

**উত্তৰ:-** দ্বিতীয় বিশ্বযুদ্ধত দেশসমূহ অৰ্থনৈতিকভাৱে অত্যন্ত ক্ষতিগ্ৰস্থ হৈছিল।

ঐতিহাসিক কাৰ্লটন হেইজে দেখুৱাইছে যে অকল আমেৰিকা যুক্তৰাষ্ট্ৰৰে এই যুদ্ধত খৰচ হৈছিল ৩৫০ বিলিয়ন ডলাৰ। অন্যান্য দেশসমূহৰ এচ হৈছিল মঠতে ১০০০ বিলিয়ন ডলাৰ আৰু সা-সম্পত্তিৰ ধ্বংসৰ মাধ্যমত হোৱা ক্ষতিৰ পৰিমাণ আছিল ১০০০ বিলিয়ন ডলাৰ।

এই যুদ্ধত প্ৰায় ২২ মিলিয়ন লোক নিহত আৰু প্ৰায় ৩৪ মিলিয়ন লোক আহত হৈছিল।তদুপৰি যুদ্ধৰ বাবে সমগ্ৰ বিশ্বতে প্ৰায় ২০ মিলিয়ন সাধাৰ লোক নিহত হৈছিল।আমেৰিকা যুক্তৰাষ্ট্ৰই হিৰচিমা আৰু নাগাছাকিত আণবিক বোমা নিক্ষেপ কৰাৰ ফলত প্ৰায় ৩,২০,০০০ লোক নিহত হৈছিল।

যুদ্ধৰ সময়ত আকাশমাৰ্গেৰে বোমা নিক্ষেপ কৰাৰ ফলত গোটেই বিশ্বতে নিহত হোৱা সাধাৰণ নাগৰিকৰ পৰিমাণ আছিল ১৫,০০,০০০ জন। এই যুদ্ধত ব্যাপক হাৰত সাধাৰণ নাগৰিকৰ মৃত্যুৰ ঘটনাৰপৰা যুদ্ধৰত দেশবিলাকৰ লোকসকল কিমান বৰ্বৰ্তালৈ নামি গৈছিল আৰু মানুহে মানুহৰ ওপৰত কিমান নিৰ্মম অত্যাচাৰ চলাইছিল তাক অনুমান কৰিব পাৰি।

## ৰচনাধৰ্মী প্ৰশ্ন

### প্ৰশ্ন ১। পোলেণ্ড আৰু বাল্টিক সাগৰীয় দেশসমূহৰ ওপৰত জাৰ্মানীৰ আক্ৰমণ সম্পৰ্কে চমুকৈ বিবৃত কৰা।

**উত্তৰ:-** ১৯৩৯ চনৰ ১ চেপ্তেম্বৰ তাৰিখে জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰে। ২৭ চেপ্তেম্বৰৰ দিনা পোলেণ্ডৰ ৰাজধানী জাৰ্মানসকলে হস্তগত কৰে। জাৰ্মানীয়ে পোলেণ্ড আক্ৰমণ কৰাৰ কেইদিনমান পিছতে ৰাচিয়ায়ো নিজ নিৰাপত্তা ৰক্ষাৰ বাবে পূৱ দিশৰ পৰা পোলেণ্ড আক্ৰমণ কৰে আৰু পূৱ অংশটো দখল কৰে।ইয়াৰ পশ্চিম অংশটো জাৰ্মানীয়ে হস্তগত কৰিছিল।পোলেণ্ডৰ বিৰুদ্ধে জয় লাভ কৰাৰ পিছত হিটলাৰে বিজয় উল্লাসত মতলীয়া হৈ ১৯৭০ চনৰ এপ্ৰিল মাহত ডেনমাৰ্ক আৰু নৰৱে আৰু মে’ মাহত বেলজিয়াম, লুকছেম্বাৰ্গ আৰু হলেণ্ডৰ ওপৰত আক্ৰমণ চলাইছিল।নৰৱে আক্ৰমণ কৰোঁতে হিটলাৰে মুঠতে ৮০০ খন যুদ্ধ জাহাজ আৰু ২৫০ খন পৰিবহণ জাহাজ ব্যৱহাৰ কৰিছিল। এই আক্ৰমণ স্থল আৰু জল দুয়োফালৰ পৰাই সংঘটিত হৈছিল। সেই সময়ত নৰৱেত ভাইডকুন কুইজলিং বোলা লোক এজনৰ নেতৃত্বত এটা ফেচিষ্ট দল গঠন কৰা হৈছিল আৰু কুইজলিঙে হিটলাৰৰ সৈতে যোগাযোগ ৰক্ষা কৰিছিল। এওঁৰ সহায়ত হিটলাৰে সহজতে নওৱে দখল কৰি সুইজলিঙৰ নেতৃত্বত এখন পুতলা চৰকাৰ পাতি তাত জাৰ্মান আধিপত্য স্থাপন কৰিছিল।

ইয়াৰ পিছত মে’ মাহৰ ২৮ তাৰিখে বেলজিয়ামৰ ৰজাই হিটলাৰৰ ওচৰত আত্মসমৰ্পণ কৰে। এই ঘটনাই মিত্ৰপক্ষৰ বাবে ভীষণ বিপদৰ সৃষ্টি কৰিছিল। মিত্ৰপক্ষই ২৮ মে’ৰ পৰা ৪ জুনৰ ভিতৰত যুদ্ধক্ষেত্ৰৰপৰা মুঠতে ৩,৩৮,০০০ – সৈনিক আঁতৰাই নিছিল।

হিটলাৰৰ হাতত পৰাস্ত হোৱাৰ পিছত নৰৱে বেলজিয়াম আৰু হলেণ্ডৰ পূৰ্বৰ প্ৰতিষ্ঠিত চৰকাৰৰ মুৰব্বীসকলে ইংলেণ্ডলৈ পলায়ণ কৰে আৰু লণ্ডনলৈ গৈ নিজ নিজ দেশৰ বাবে একোখন নিৰ্বাসিত চৰকাৰ গঠন কৰে।

জাৰ্মানীৰ বিৰুদ্ধে পোলেণ্ড, নৰৱে, বেলজিয়াম আৰু হলেণ্ডত মিত্ৰ শক্তি জোঁট তথা ইংলেণ্ড আৰু ফালৰ পৰাজয়ে ইংলেণ্ডত এক ৰাজনৈতিক পৰিৱৰ্তন সংঘটিত কৰায়। সেই সময়ত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী নিউৱিল ছেম্বাৰলেইন ক্ষমতাৰ পৰা অপসাৰিত হয় আৰু তেওঁৰ ঠাইত ১৯৪০ চনৰ ১০ মে’ত ৰক্ষণশীল দলৰ নেতা উইনষ্টন ছাৰ্চিলক সংযুক্ত মন্ত্ৰীসভাৰ প্ৰধানমন্ত্ৰী আৰু শ্ৰমিক দলৰ নেতা ক্লিমেণ্ট এট্ীক উপ-প্ৰধানমন্ত্ৰী ৰূপে নিযুক্তি দিয়া হয়। উইনস্টন ছাৰ্চিলে দ্বিতীয় বিশ্বযুদ্ধত কঠোৰ পৰিশ্ৰম কৰি মিত্ৰপক্ষৰ বিজয় সুনিশ্চিত কৰিছিল।

যুদ্ধৰ প্ৰথম অৱস্থাত উপৰ্যুপৰি লাভ কৰা বিজয়ে হিটলাৰক অনতিপলমে ফ্ৰান্স আক্ৰমণ কৰিবলৈ প্ৰৰোচিত কৰিছিল। তেওঁ নিজেও হয়তো ইমান সোনকালে বিজয় লাভ কৰিব বুলি আশা কৰা নাছিল। সেয়ে তেওঁ জুন মাহৰ প্ৰথম সপ্তাহতেই ফ্ৰান্স আক্ৰমণ কৰে। এই আক্ৰমণ অতি ভয়াবহ আছিল।ফ্ৰান্সৰ প্ৰধানমন্ত্ৰীৰ আসনত থকা প’ল বেইনাই ৫ জুন তাৰিখে আক্ৰমণ সংঘটিত হোৱাৰ পিছতে ভীতিবিহ্বল হৈ ৯ তাৰিখে ৰাজধানী পেৰী চহৰ পৰিত্যাগ কৰি পলায়ন কৰে আৰু ১৬ জুন তাৰিখে পদত্যাগ কৰে। ইতিপূৰ্বে ইটালীয়েও জাৰ্মানীৰ সমৰ্থনত ১০ জুন তাৰিখে ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ৰেইনাৰ পদত্যাগৰ পিছত প্ৰথম বিশ্বযুদ্ধ খ্যাত মাৰ্চাল হেনৰী ফিলিপে পেঁটা ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী হয়।

তেওঁ প্ৰধানমন্ত্ৰী হৈয়ে হিটলাৰৰ সৈতে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ দাঙি ধৰে। অৱশেষত ২২ জুন তাৰিখে দুয়োখন দেশৰ মাজত এখন যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি মতে ফ্ৰান্সৰ অৰ্ধেক হিটলাৰে দখল কৰি নিজ ৰাজ্যভূক্ত কৰে আৰু বাকীখিনি পেঁটাৰ অধীনত থাকে। সেই অৱশিষ্ট অংশটোক ফ্ৰান্সৰ ইতিহাসত ভীকি ফ্ৰান্স বোলা হৈছিল।

হিটলাৰৰ হাতত ফ্ৰান্সৰ পৰাজয়ৰ পৰিপ্ৰেক্ষিতত ভালেমান ফৰাচী সামৰিক বলয়াই ইংলেণ্ডলৈ পলায়ন কৰিছিল। এই সামৰিক বিষয়াসকলে তাত “মুক্ত ফ্ৰান্সৰ আন্দোলন” নামে এটা সংগঠন গঠন কৰিছিল আৰু মিত্ৰ শক্তি জোঁটৰ সৈতে লগ লাগি নাজি জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধৰ আয়োজন কৰি প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল।

**প্ৰশ্ন ২। ইংলেণ্ডৰ ওপৰত জাৰ্মান আক্ৰমণ সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ:-** ফ্ৰান্সৰ ওপৰত নিজয় সাব্যস্ত কৰাৰ অন্তত হিটলাৰে ইংলেণ্ড অধিকাৰ কৰিবলৈ মন মেলে। জাৰ্মানীদ্বাৰা ইংলেণ্ড আক্ৰান্ত হোৱা ঘটনাই দ্বিতীয় বশ্বযুদ্ধত চাঞ্চল্যৰ সৃষ্টি কৰিছিল।কাৰণ ফ্ৰান্সৰ পতনৰ পিছত হিটলাৰ আৰু মুছোলিনিৰ বিপক্ষে ইংলেণ্ডে ৰণক্ষেত্ৰত অকলশৰীয়া হৈ পৰিছিল।কিন্তু চীষণভাৱে আক্ৰমণ কৰাৰ পিছতো ইংলেণ্ডৰ বিপক্ষে জাৰ্মানীয়ে জয়লাভ কৰিব নাৱাৰি "অপাৰেচন ছি লায়ন" সাংকেতিক নামেৰে আৰম্ভ কৰা যুদ্ধখন নাময়িকভাৱে স্থগিত ৰাখিবলগীয়া হয়। ১৯৪০ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে নশাৰ ভাগত আতৰ্কিতে ধাৰাষাৰ বোমা বৰ্ষণেৰে আৰম্ভ হোৱা এই যুদ্ধখন সেই বছৰৰে ১৭ চেপ্তেম্বৰ শেষ হৈছিল।

এই যুদ্ধত হিটলাৰে ইংলেণ্ডৰ সামুদ্ৰিক বন্দৰসমূহৰ উপৰিও বিমান ঘাটি, বিমান তৈয়াৰ কৰা কাৰখানা আৰু সাধাৰণ নাগৰিকৰ বসতি অঞ্চলসমূহো আক্ৰমণ কৰিছিল। প্ৰতিৰোধ সংগ্ৰামৰূপে ইংলেণ্ডেও জাৰ্মানীৰ বাৰ্লিন চহৰৰ ওপৰত অহৰহ প্ৰতি আক্ৰমণ চলাইছিল। হিটলাৰৰ ধাৰাধাৰ বোমা বৰ্গৰ ফলত ব্ৰিটেইনৰ ভালেমান চহৰ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ উপৰিও অকল লণ্ডন চহৰতে ২০,০০০ তকৈ অধিক সাধাৰণ নাগৰিকৰ মৃত্যু হৈছিল।১৯৪১ চন আৰম্ভ হোৱা ইংলেণ্ডৰ প্ৰতিৰোধ আক্ৰমণত ব্ৰিটিছ ৰাজকীয় বিমানবাহিনীে প্ৰায় ২,৪০০ যখন জাৰ্মান যুদ্ধ জাহাজ গুলীয়াই ভূপতিত কৰি ধ্বংস কৰিছিল এই যুদ্ধক বেটল অৱ ব্ৰিটেইন বোলা হয়।এই যুদ্ধত ইংলেণ্ড বাহিনীয়ে জয়লাভ কৰিছিল।

হিটলাৰৰ বিৰুদ্ধে ইংলেণ্ডৰ এই বিজয়ৰ মূলতে আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক সাহাৰ্য প্ৰদান।আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট ফেংকলিন ডেলানো ৰুছভেণ্ট হিটলাৰৰ সামৰিক অভিযানৰ আৰম্ভণিৰেপৰাই ফেছিষ্ট জোঁটক পৰাভূত কৰিবলৈ মনস্থ কৰিছিল। সেইবাবে তেওঁ হিটলাবে ইংলেণ্ড আক্ৰমণ কৰাৰ পিছত ইংলেণ্ডক অস্ত্ৰ-শস্ত্ৰৰে সকলো ধৰণৰ সহায় আগবঢ়াইছিল।

ব্ৰিটিছ অধিকৃত নিউ ফাউণ্ডলেণ্ড আৰু পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত মাৰ্কিন নৌ ঘাটি স্থাপন কৰিবলৈ দিয়াৰ বিনিময়ত আমেৰিকা যুক্তৰাষ্ট্ৰই ইংলেণ্ডক ৫০ খন ডেষ্ট্ৰয়াৰৰ যোগান ধৰিছিল।ইয়াৰ উপৰি আমেৰিকা যুক্তৰাষ্ট্ৰই মিত্ৰ পক্ষক সহায় কৰাৰ বাবে ১৯৪১ চনৰ মাৰ্চ মাহত "লেণ্ড লিজ এক্ট" নামে এখন আইন প্ৰণয়ন কৰি একছ্ছি শক্তি জোঁটৰ বিৰুদ্ধে থকা দেশসমূহক বাকীকৈ অস্ত্ৰ শস্ত্ৰ যোগান ধৰাৰ নীতি গ্ৰহণ কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই নীতিয়ে ফেছিষ্ট বিৰোধী শক্তিসমূহক যুদ্ধত জয়ী হোৱাৰ বাবে যথেষ্ট পৰিমাণে সহায়ৰ হাত আগবঢ়াইছিল।

**প্ৰশ্ন ৩। জাৰ্মানীৰ দ্বাৰা ছোভিয়েট ৰাচিয়া আক্ৰমণ সম্পৰ্কে চমুকৈ আলোচনা কৰা।**

**উত্তৰ:-** হিটলাৰে যুদ্ধৰ খৰা যোগাৰ কৰিবলৈ প্ৰাচুৰ্যৰে ভৰপূৰ ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অপাৰেচন বাৰবাৰোছা সাংকেতিক নামেৰে এই আক্ৰমণ আৰম্ভ কৰা হয় ১৯৪৪ চনৰ ২২ জুন তাৰিখে। হিটলাৰে কেইবাটাও লক্ষ্য আৰু উদ্দেশ্য আগত লৈ ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰিছিল। তাৰ ভিতৰত প্ৰধান আছিল কমিউনিষ্ট শাসন ধ্বংস কৰা, ইহুদী আৰু ৰাচিয়াৰ শ্লাভ জাতিৰ লোকক নিঃশেষ কৰা।জাৰ্মানীৰ উদ্‌বৃত্ত লোকসংখ্যাৰ বাবে বিশেষকৈ ৰাচিয়াৰ ইউৰাইল অঞ্চলত বসতি স্থাপনৰ ব্যৱস্থা কৰা।ডলেজ উপত্যকাত অৱস্থিত শিল্প-উদ্যোগৰ উপযোগী কেঁচামালেৰে ভৰপূৰ অঞ্চলটো দখল কৰা, ইউক্ৰেইনৰ দৰে অতি সাৰুৱা আৰু ৰাচিয়াৰ শস্যৰ ভৰালৰূপে পৰিগণিত অঞ্চলটো আৰু লগতে ককছাছ অঞ্চলৰ খনিজ তেলেৰে পৰিপূৰ্ণ অঞ্চলসমূহ দখল কৰি জাৰ্মানীৰ প্ৰতিপত্তি আৰু শ্ৰীবৃদ্ধি সাধন কৰা ইত্যাদি।

ছোভিয়েট বাচিয়া আক্ৰমণ কৰাৰ অভিপ্ৰায়েৰে হিটলাৰে তেওঁৰ চাৰিজন বিচক্ষণ সেনাধ্যক্ষৰ নেতৃত্বত প্ৰচুৰ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰে এক বিশাল সামৰিক বাহিনী মোতায়েন কৰিছিল।

ছোভিয়েট ৰাচিয়াৰ প্ৰতি হিটলাৰৰ এক লঘু ধাৰণা আছিল কিন্তু ৰাচিয়াই তেওঁৰ সেই ধাৰণা খৰ্ব কাৰ তেওঁৰ লগতে জাৰ্মানীত প্ৰতিষ্ঠিত নাজি চৰকাৰৰো পতন অনিবাৰ্য কৰি তুলিছিল।

হিটলাৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ছোভিয়েট ৰাচিয়াই ভীষণ প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল।ফিনলেণ্ড, ৰোমানিয়া, হাংগেৰী আৰু শ্লোভাকিয়া আদি চাখিন দেশেও জাৰ্মানীৰ সমৰ্থনত যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হৈছিল। আনকি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিলেও ৰাচিয়াক সমৰ্থন কৰি এক সামৰিক চুক্তিৰ প্ৰস্তাৱ দিছিল।

যুদ্ধৰ আৰম্ভণিতে জাৰ্মানসকলে অগ্ৰগতি লাভ কৰিছিল। ৰাচিয়াৰ এখন পিছত এখনকৈ ভালেমান চহৰ দখল কৰাৰ পিছত ক্ষীপ্ৰ গতিৰে মস্কোৰ পিনে গতি কৰিছিল। এই যাত্ৰাতো আৰম্ভণিতে তেওঁলোক কৃতকাৰ্য হৈছিল যদিও অৱশেষত ৰচসকলক সেই অঞ্চলৰ জলবায়ুৱে সহায় কৰে। ইয়াত অক্টোৱৰৰ পৰা আৰম্ভ হোৱা শীত প্ৰবাহৰ প্ৰাবল্য নৱেম্বৰ মাহৰ শেষৰ পিনে অতি তীব্ৰ হৈ পৰে আৰু বতৰৰ তাপমান –৪০° ডিগ্ৰী ছেণ্টিগ্ৰেডলৈ নামি যায়। এই অৱস্থাত জাৰ্মান 'শিৱিৰত হাহাকাৰ লাগি পৰে আৰু কচ সৈনিকে এওঁলোকৰ ওপৰত তীব্ৰ প্ৰতিৰোধ সংগ্ৰাম আৰম্ভ কৰে। জাৰ্মান সৈনিকে অৱশেষত সেই ঠাইৰ পৰা আঁতৰি আহিবলৈ বাধ্য হয়। প্ৰাথমিকভাৱে 'অপাৰেচন বাৰবাৰোছা' ব্যৰ্থ হয় যদিও হিটলাৰে ৰাচিয়া বিজয়ৰ সোপোন সম্পূৰ্ণৰূপে ত্যাগ নকৰিলে৷

১৯৪২ চনৰ এপ্ৰিল মে' মাহত হিটলাৰে পুনৰ ৰাচিয়া আক্ৰমণ কৰে। প্ৰথম অৱস্থাত সফলতা লাভ কৰিলেও পিছত ব্যৰ্থ হ'বলগীয়া হয়। জাৰ্মানসকলে ডন নদীৰ উপত্যকা

দখল কৰিলেও তেওঁলোকে ষ্টেলিনগ্ৰাড দখল কৰিবলৈ গৈ পৰাজয়ৰ সম্মুখীন হয়। ষ্টেলিনগ্ৰাডত দুয়োপক্ষৰ মাজত তীব্ৰ সংগ্ৰাম সংঘটিত হয়।প্ৰায় পাঁচ মাহ জুৰি চলা এই সংগ্ৰাম ইমান ভয়ানক আছিল যে ইয়াৰ প্ৰতিটো ৰাষ্টাতে আৰু প্ৰতি ইঞ্চি ভূমিৰ বাবে দুয়ো পক্ষই প্ৰায় সমানে যুঁজিছিল।যুদ্ধখনত জাৰ্মানীৰ লগতে আৰু সহযোগী দেশসমূহত বহুতো লোক হতাহত হৈছিল। অৱশেষত জাৰ্মানৰ সেনাধ্যক্ষ পাউলাছে ২ ফেব্ৰুৱাৰীৰ দিনা আন সহযোগী দেশৰ সৈনিকসহ ৰাচিয়াৰ ওচৰত আত্মসমৰ্পণ কৰে।

কিন্তু ইয়াৰ পিছত পুনত ১৯৪৩ চনৰ মাজ ভাগত হিটলাৰে তৃতীয় বাৰৰ বাবে ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰে কিন্তু পুনৰ ব্যৰ্থ হয়। ৰাচিয়াই লাহে লাহে ইউক্ৰেইন আৰু ক্ৰিমিয়া হস্তগত কৰিবলৈ সক্ষম হয়।উপায়বিহীন হৈ পিছৰ বছৰৰ জানুৱাৰী মাহত অৱশিষ্ট জাৰ্মান সৈন্যই ৰণক্ষেত্ৰৰ পৰা আঁতৰি আহে।

**প্ৰশ্ন ৪। মিত্ৰ শক্তি আৰু কেন্দ্ৰীয় শক্তি জোঁটৰ মাজত আফ্ৰিকা আৰু ভূমধ্যসাগৰীয় অঞ্চলত চলা দ্বিতীয় বিশ্বযুদ্ধৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ:-** মিত্ৰ শক্তি আৰু কেন্দ্ৰীয় শক্তি জোঁটৰ মাজত আফ্ৰিকা আৰু ভূমধ্যসাগৰীয় অঞ্চলত ব্যাপক সংঘৰ্ষৰ সূত্ৰপাত হোৱা দেখা গৈছিল। হিটলাৰে ইংলেণ্ড অধিকাৰ কৰিবলৈ যুদ্ধ কৰি থাকোতে ইটালীয়ে ১৯৪০ চনৰ- আগষ্ট মাহত আফ্ৰিকাৰ ছোমালিলেণ্ড অধিকাৰ কৰি ইজিপ্ত অৰু ছুয়েজ খাল অভিমুখে অগ্ৰসৰ হয়। চেপ্তেম্বৰ মাহত ইটালীয়ান সেনাধ্যক্ষ মাৰ্ছাল গ্ৰেজিয়ানিৰ নেতৃত্বত এটি বিশাল সেনাবাহিনী লিবিয়াৰ পৰা ইজিপ্ত অভিমুখে ৰাওনা হয়।

ইফালে ইউৰোপত ইটালীয়ে জাৰ্মানী আৰু জাপানৰ সৈতে এটি ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি নিজৰ সাম্ৰাজ্যিক স্বাৰ্থ পূৰণৰ পথ মুকলি কৰি লৈছিল। এই চুক্তিৰ মৰ্ম আছিল পাৰস্পৰিক সামৰিক সহযোগিতা। ইয়াৰদ্বাৰা ইটালী আৰু জাৰ্মানীয়ে দক্ষিণ-পূৱ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জাপানৰ আগ্ৰাসন নীতিক সম্পূৰ্ণভাৱে মানি লৈছিল। গতিকে এনে এটা পৰিস্থিতিত ইটালীয়ে আফ্ৰিকাৰ ব্ৰিটিছ অধিকৃত দেশসমূহ আক্ৰমণ কৰাটো স্বাভাৱিক কথা আছিল।

গ্ৰেজিয়ানিয়ে প্ৰথম অৱস্থাত ব্ৰিটিছৰ বিৰুদ্ধে আফ্ৰিকাৰ বৰ্ণাংগণত অগ্ৰগতি লাভ কৰিছিল যদিও ব্ৰিটিছৰ প্ৰতি আক্ৰমণত পৰাজয় বৰণ কৰে।বহুতো ইটালীয়ান সৈন্যই ব্ৰিটিছৰ ওচৰত আত্মসমৰ্পণ কৰাৰ লগতে বহুতো সৈন্য যুদ্ধবন্দী হয় আৰু অপৰ্যাপ্ত পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ হস্তগত কৰা হয়।এইদৰে ব্ৰিটিছসকলে ইজিপ্ত আৰু ছুয়েজ খাল অঞ্চলত নিজৰ স্থিতি মঞ্জুত কৰি লয়।

১৯৪১ চনৰ জানুৱাৰী মাহত ব্ৰিটিছ্ সেনাবাহিনীয়ে চুদান আৰু কেনিয়াৰপৰা ছোমালিলেখ অভিমুখে ৰাওনা হয়। ছোমালিলেণ্ড অধিকাৰ কৰি তেওঁলোকে ইটালীৰ হাতৰ পৰা ইথিওপিয়া মুক্ত কৰে। আফ্ৰিকাৰ মিত্ৰ দেশ ইটালীৰ এই বিপৰ্যয়ৰ সংবাদ পাই হিটলাৰে তেওঁৰ এজন সুদক্ষ সেনাধ্যক্ষ আৰউইন ৰোমেলৰ নেতৃত্বত এক সেনাবাহিনী প্ৰেৰণ কৰে। এই সেনাবাহিনীয়ে উত্তৰ আফ্ৰিকাত উপনীত হৈ ত্ৰিপলী আৰু লিবিয়াত ব্ৰিটিছ্ সেনাবাহিনীক পৰাজিত কৰি ইজিপ্তলৈ আঁতৰাই পঠিয়ায়।

আফ্ৰিকাত ইটালী আৰু জাৰ্মানীৰ বিৰুদ্ধে ব্ৰিটিছে "অপাৰেচন বেটল এক্‌ছ" সাংকেতিক নামেখে যুদ্ধ' অৱতীৰ্ণ হৈছিল। এই যুদ্ধ নিষ্ফল হোৱাত "অপাৰেচন 'ক্‌ৰুছেদা" সাংকেতিক নামেৰে পুনৰ যুদ্ধত অৱতীৰ্ণ হয়।কিন্তু এই যুদ্ধও বিফল হয়।

ইয়াৰ পিছত ৰোমেলে ইজিপ্তৰ পিনে আগুৱাই যায়। এই যাত্ৰাত তেওঁ এল আলামেইন নামে ঠাইত পুনৰ ব্ৰিটিছ্ বাহিনীৰ দ্বাৰা প্ৰতিৰোধৰ সন্মুখীন হয়। এইবাৰ ইটালী আৰু জাৰ্মানীৰ বিৰুদ্ধে মিত্ৰ পক্ষৰ যুদ্ধ প্ৰক্ৰিয়াৰ কিছু সাল সল ঘটোৱা হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে হিটলাৰে ছোভিয়েট ৰাচিয়া আক্ৰমণ কৰাৰ লগে লগে ব্ৰিটেইন প্ৰধানমন্ত্ৰী ছাৰ্চিল আৰু আমেৰিকাৰ প্ৰেচিডেণ্ট ৰুচভেণ্টে ছোভিয়েট ৰাচিয়াৰ সৈতে লগলাগি ফেচিষ্ট জোঁটক পৰাভূত কৰিবলৈ কাৰ্যসূচী তৈয়াৰ কৰি কামত অগ্ৰসৰ হয়। তেতিয়ালৈকে মাৰ্কিন যুক্তৰাষ্ট্ৰই এই যুদ্ধত প্ৰত্যক্ষভাৱে জড়িত হোৱা নাছিল নাইবা প্ৰতিপক্ষৰ কোনো এখন দেশৰদ্বাৰা আক্ৰান্তও হোৱা নাছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু বিটেইনে ৰাচিয়াক প্ৰচুৰ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু সামৰিক সাহাৰ্য প্ৰদান কৰি যুদ্ধত জয়ী হোৱাত সহায় কৰিছিল।

ইফালে আফ্ৰিকাতো হিটলাৰ আৰু মুছোলিনিৰ বিৰুদ্ধে মিত্ৰ বাহিনীয়ে বুটীয়াভাৱে সমৰ ক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি চলাইছিল।ফলত ১৯৪২ চনৰ অক্টোবৰ মাহত এফালে মন্টোগোমাৰিয়ে টিউনিছিয়া, ত্ৰিপলী আৰু লিবিয়াত ব্ৰটিছ্ সেনাধ্যক্ষ ৰোমেলৰ ওপৰত প্ৰচণ্ড আক্ৰমণ চলায়। আনফালে ইংগ মাৰ্কিন সেনাবাহিনীৰ নেতৃত্বত মাৰ্কিন সেনাধ্যক্ষ আইছেনহাৱাৰে মৰক্কো আৰু মালজেৰিয়াত ফেচিষ্ট বাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। এই আক্ৰমণক "অপাৰেচন টৰ্চ" বুলি কোৱা হয়।এই আক্ৰমণত বোমেল পিছ হুহুকি যাবলৈ বাধ্য হয়। এনেতে ফেছিষ্ট জোঁটৰ বাবে যুদ্ধ পৰিস্থিতিৰ যথেষ্ট অৱনতি ঘটে। মিত্ৰ শক্তিয়ে কাছাব্লাংকা, ওবাণ আৰু আলাজেৰিয়াৰ ৰাজধানী আলজিৰাচত নিজ সৈনিক অৱতৰণ কৰায়। মিত্ৰ পক্ষৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ফেচিষ্ট বাহিনী এই যুদ্ধত পৰাভূত হয়। এই যুদ্ধত জাৰ্মানসকলে মুঠ ৫০ খন টেংক হেৰুৱায়। মে মাহত মিত্ৰ পক্ষই ইটালীৰ বিৰুদ্ধে চূড়ান্ত বিজয় লাভ কৰে। আফ্ৰিকাৱ ৰণাংগণত মিত্ৰপক্ষৰ বিজয়ে ফেচিষ্ট বাহিনীৰ পতনৰ কাল চমু চপাইছিল।

ইতিপূৰ্বে দক্ষিণ-পূৰ্ব ইউৰোপত ৰাজ্য বিস্তাৰ কৰাৰ অভিপ্ৰায়েৰে ১৯৪০ চনৰ অক্টোৱৰ মাহত ইটালীয়ে গ্ৰীচ দেশ আক্ৰমণ কৰায়। কিন্তু গ্ৰীকসকলে তীব্ৰ প্ৰতিৰোধ সংগ্ৰামৰ জৰিয়তে ইটালীয়ানসকলৰ এই আক্ৰমণ ব্যৰ্থ কৰি তেওঁলোকক পিছ হুহকায় পঠিযায়।

গ্ৰীচৰ ওপৰত ইটালীৰ আক্ৰমণে ফেছিষ্ট জোঁটৰ বিৰুদ্ধে অন্য এটি ৰাংগণ মুকলি কৰি সিহঁতক বিভ্ৰান্ত কৰিবলৈ ছাৰ্চিলৰ বাবে এটি নতুন সুযোগ আনি দিয়ে। ছাৰ্চিলে ১৯৪১ চনত গ্ৰীছ দেশ আক্ৰমণ কৰায়। কিন্তু হিটলাৰে হোভিয়েট ৰাচিয়া আক্ৰমণ নকৰালৈ ছাৰ্চিলৰ এই উদ্দেশ্য ব্যৰ্থ হয়। হিটলাৰে ৰাচিয় আক্ৰমণ কৰাতহে ছাৰ্চিলে ভবাৰ দৰে মিত্ৰশক্তিয়ে ভূমধ্যসাগৰীয় অঞ্চল আৰু মধ্য প্ৰাচ্যত নিজৰ অৱস্থান মজবুত কৰি তুলিছিল। মিত্ৰশক্তিৰ এই অৱস্থানে প্ৰধানকৈ আফ্ৰিকাত ফেছিষ্ট জোঁটৰ বিৰুদ্ধে মিত্ৰশক্তি জোটক প্ৰভূত পৰিমাণে সহায় কৰিছিল।

**প্ৰশ্ন ৫। জাপানৰদ্বাৰা পাৰ্ল হাৰ্বাৰ আক্ৰান্ত হোৱাৰ পিছত সূদুৰ প্ৰাচ্যত দ্বিতীয় বিশ্বযুদ্ধৰ অগ্ৰগতি সম্পৰ্কে লিখা।**

**উত্তৰ:-** ১৯৪১ চনৰ ৭ ডিচেম্বৰ তাৰিখে জাপানে অতৰ্কিতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাৱাই দ্বীপপুঞ্জৰ পাৰ্ল হাৰ্বাৰৰ ওপৰত আক্ৰমণ চলায়। ১৯৪০ চনত জাপানে বিশ্বযুদ্ধত কৃতকাৰ্যতা লাভ কৰিবলৈ উৎসাহিত হৈ পৰিছিল। তেওঁলোকে চীন, প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জ আৰু দক্ষিণ-পূৰ্ব এচিয়াৰ ফৰাচী অধিকৃত ইন্দোচীন আৰু থাইলেণ্ড, ব্ৰিটিছৰ অধীনত থকা ব্ৰহ্মদেশ, মালয় আদি দেশ দখল কৰিবলৈ এক বৃহৎ আঁচনি প্ৰস্তুত কৰি তাক বাস্তৱায়িত কৰাৰ দিশত অগ্ৰসৰ হৈছিল।

জাপানৰ এই আঁচনিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰক সচকিত কৰি তুলিছিল। ১৯৪০ চনৰ ছেপ্তেম্বৰ মাহত জাপানে ইন্দোচীন দখল কৰে। ১৯৪১ চনৰ এপ্ৰিল মাহত জাপানে ছোভিয়েট ৰাচিয়াৰ সৈতে এক অনাক্ৰমণাত্মক চুক্তি স্বাক্ষৰ কৰে৷ সেই বছৰৰ জুলাই মাহত জাপানে ভিয়েটনাম দখল কৰে। দক্ষিণ-পূৱ এছিয়াত জাপানৰ এই আগ্ৰাসন কাৰ্য চলি থাকোতেই জাপানত এক সামৰিক অভ্যুত্থানৰ জৰিয়তে সামৰিক গোটে ক্ষমতা অধিকাৰ কৰে আৰু জেনেবেল হাইডেকী ট জো প্ৰধানমন্ত্ৰী হয়। ইফালে জাপানে ইন্দোচীন আক্ৰমণ কৰাত আমেৰিকা যুক্তৰাষ্ট্ৰই জেনেৰেল মেক আৰ্থাৰক সুদূৰ প্ৰাচ্যৰ সেনাধ্যক্ষ নিযুক্ত কৰে।

পাৰ্ল হাৰ্বাৰত মাৰ্কিন নৌ-বাহিনীৰ ওপৰত জাপানে কৰা আক্ৰমণৰ সময়তে জাপানৰ প্ৰতিনিধি দল এটাই লোকদৰ্শিতভাৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ওৱাছিংটনত শান্তি চুক্তি এটা স্বাক্ষৰ কৰা সম্পৰ্কে আলোচনা কৰি আছিল।

পার্ল হাৰ্বাত সংঘটিত হোৱা এই আক্ৰমণৰ পিছদিশখন আমেৰিকা যুক্তৰাষ্ট্ৰই ইংলেণ্ড আৰু জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এই যুদ্ধ হোৱাৰ প্ৰায় দুবছৰৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰ দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত হৈ পৰে।

পার্ল হাৰ্বাৰত কৃতকাৰ্যতা লাভ কৰাৰ পিছত জাপানে এফালৰ পৰা প্ৰশান্ত মহাসাগৰীয় অঞ্চল আৰু দক্ষিণ-পূৰ্ব এচিয়াত নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ অগ্ৰসৰ হয়। জাপানে ১৯৪১ চনৰ ২৫ ডিচেম্বৰত হংকং দখল কৰে। তাৰ আগতে জাপানে ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ ১০ তাৰিখে ছিংগাপুৰৰ ওচৰত দুখন ব্ৰিটিছ যুদ্ধ জাহাজ ধ্বংস কৰে। পিছৰ বছৰৰ জানুৱাৰী মাহত জাপানে ফিলিপাইনছ, ফেব্ৰুৱাৰীত ছিংগাপুৰ আৰু মালায়েছিয়া, মাৰ্চ মাহত ইন্দোনেচিয়া আৰু মে’ মাহত ব্ৰহ্মদেশ দখল কৰে। তাৰ পাছত জাপানে ক্ৰমে জাভা, বৰ্ণিও, সুমাত্ৰা, বালি আদি আক্ৰমণ কৰি অধিকাৰ কৰে।

জাপানে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত গোৱাম আৰু ওৱেক দ্বীপ কেইটা আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা আৰু গিলবাৰ্ট দ্বীপপুঞ্জ ব্ৰিটেইনৰপৰা দখল কৰে। ১৯৪২ চনৰ ১৫ ফেব্ৰুৱাৰীত ছিংগাপুৰত জাপানৰ ওচৰ আত্মসমৰ্পণ কৰে। ৮ মাৰ্চত জাপানৰ হাতত ব্ৰহ্মদেশৰ ৰাজধানী ৰেংগুনৰ পতন ঘটে আৰু মে’ মাহৰ ভিতৰত ব্ৰিটিছক তেওঁলোকে ব্ৰহ্মদেশৰপৰা ভাৰতবৰ্ষলৈ খেদি পঠিয়ায়। ইয়াৰ লগে লগে গোটেই বিশ্বতে ব্ৰিটিছৰ সামৰিক শক্তিৰ ক্ষেত্ৰত থকা যশস্য ম্লান হৈ পৰে।

পূৰ্বৰেপৰা জাপানে প্ৰশান্ত মহাসাগৰীয় অঞ্চলত উপনিৱেশ স্থাপন কৰি এফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগত প্ৰতিদ্বন্দ্বিতাত নামিছিল আৰু আনফালে চীনৰ স্বাধীনতা আৰু ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি ভাবুকি সৃষ্টি কৰি আহিছিল। এই অঞ্চলত জাপানে ক্ৰমে ১৮৯৫ চনত ফৰমোছা, ১৯০৬ চনত কোৰিয়া, ১৯৩১ ৩৩ চনত মাঞ্চুৰিয়া আৰু ১৯৩৮ চনত নানকিং দখল কৰি সেই দেশবিলাকত নিজৰ আধিপত্য বিস্তাৰ কৰিছিল।

**প্ৰশ্ন ৬। ফেচিষ্টসকলৰ পতনৰ সৈতে জড়িত থকা প্ৰধান ঘটনাসমূহ বিবৃত কৰা।**

**উত্তৰ:-** ফেচিষ্টসকলৰ পতনৰ সৈতে জড়িত থকা প্ৰধান ঘটনাসমূহ তলত আলোচনা কৰা হ’ল। ১৯৪২ চনৰ জানুয়াৰী মাহত আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন আৰু ছোভিয়েট ৰাচিয়াই ফেচিষ্ট বিৰোধী অন্যান্য ২৩ খন ৰাষ্ট্ৰৰ সহযোগত সংযুক্ত ৰাষ্ট্ৰসংঘৰ এক ঘোষণাপত্ৰ তৈয়াৰ কৰে। ১৯৪১ চনৰ আগষ্ট মাহত ৰুজভেল্ট আৰু ছাৰ্চিলে তৈয়াৰ পৰা আটলান্টিক চন্দৰ প্ৰতি অনুগত্য প্ৰকাশ কৰাৰ লগতে তেওঁলোকে বিশ্বক ফেচিষ্টসকলৰ কৱলৰ পৰা মুক্ত কৰিবলৈ সংকল্পবদ্ধ হয়।

আনহাতে ছোভিয়েট ৰাচিয়া, আফ্ৰিকা, ভূমধ্যসাগৰীয় অঞ্চল, প্ৰশান্ত মহাসাগৰীয় অঞ্চল আদিত ফেচিষ্ট আৰু সামৰিক জোঁটৰ বিপৰ্যয়ে মিত্ৰশক্তি জোঁটৰ বিজয় সুনিশ্চিত কৰি

তুলিছিল। আফ্ৰিকাত জাৰ্মানী আৰু ইটালীৰ পৰাজয়ৰ প্ৰায় লগে লগে মিত্ৰ শক্তিয়ে জাৰ্মানী আৰু ইটালীত তেওঁলোকৰ আক্ৰমণ কেন্দ্ৰীভূত কৰে। ১৯৪৩ চনৰ মে' মাহত ব্ৰিটিছ্ ৰাজকীয় বিমান বাহিনী আৰু মিত্ৰশক্তিয়ে জাৰ্মানীৰ কলন, ইছেন, হামবাৰ্গ, লৰিয়েট, জাৰ্মান অধিকৃত ফ্ৰান্স আৰু বেলজিয়াম আৰু বাৰ্লিন চহৰত ধাৰাষাৰ বোমা বৰ্ষণ কৰায়।

ইফালে ১৯৪৩ চনৰ জুলাই মাহত মিত্ৰ শক্তিয়ে ৰোমত বোমা বৰ্ষণ কৰায়। সেইদিনা হিটলাৰ আৰু মুছোলিনীয়ে এক আলোচনাত মিলিত হয় যদিও তেওঁলোকে প্ৰতিপক্ষৰ বিৰুদ্ধে একো কৰিব নোৱাৰিলে। ২৪ জুলাইত ফেচিষ্ট সকলৰ সৰ্বোচ্চ সন্মিলনত মুছোলিনীয়ে আঁঠটা ভোটৰ বিপৰীতে ঊনৈশটা ভোটৰ ব্যৱধানত ক্ষমতাৰপৰা অপসাৰিত হয় আৰু তেওঁক প্ৰধানমন্ত্ৰীত্বৰ ক্ষমতাৰপৰা অপসাৰিত কৰি মাৰ্ছাল পিয়েট্ৰো বডোন্নিওক প্ৰধানমন্ত্ৰী পতা হয়। ক্ষমতাত অধিষ্ঠিত হৈ বডোন্নিওৱে গোপনে মিত্ৰ বাহিনীৰ সৈতে যা বিৰতিব চুক্তিত স্বাক্ষৰ কৰি চৰ্তবিহীনভাৱে আত্মসমৰ্পণ কৰে। ১৩ অক্টোৱৰত তেওঁ মিত্ৰ পক্ষৰ হৈ জাৰ্মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। যুদ্ধৰ শেষত মিত্ৰ শক্তিয়ে ৰোম অধিকাৰ কৰে। ইয়াৰ লগে লগে ইটালীত জাৰ্মানীৰ পতন ঘটে।

ইতিমধ্যে জাৰ্মান সৈনিকসকলে মুছোলিনীক বন্দীশালৰপৰা মুকলি হোৱাত সহায় কৰি দিছিল। মুক্ত হৈয়ে তেওঁ ঘৈনীয়েক ক্লাট্টো পেটাচ্চীৰ সৈতে ছুইজাৰলেণ্ডৰ পিনে পলাই যাবলৈ চেষ্টা কৰোঁতে ধৰা পৰে। শেষত দুয়োকে ধৰি আনি মৃত্যুদণ্ডেৰে দণ্ডিত কৰা হয় আৰু ১৯৪৫ চনৰ ২৮ এপ্ৰিল তাৰিখে গুলীয়াই হত্যা কৰা হয়।এইদৰে ইটালীত ফেছিবাদৰ জন্মদাতা মুছোলিনিৰ সৈতে ফেচিবাদৰো অস্ত পৰা দেখা যায়।

ইটালীত মুছোলিনিৰ পতন আৰু ফেচিষ্ট বাহিনীৰ সামৰিক বিপৰ্যয়ৰ লগে লগে ছোভিয়েট লাল ফৌজেও পূৰ্ব ইউৰোপত জাৰ্মান ফেচিষ্ট বাহিনীৰ বিৰুদ্ধে ক্ৰমাগতভাৱে বিজয় সাব্যস্ত কৰিছিল।

ইউৰোপৰ পশ্চিম অঞ্চলৰ ৰণাংগণতো ইংগ-মাৰ্কিন সেনাবাহিনীয়ে "অপাৰেচন ওভাৰলৰ্ড" সাংকেতিক নামেৰে নাজি সেনাবাহিনীৰ ওপৰত প্ৰচণ্ড আক্ৰমণ চলায় আৰু ১৯৪৪ চনৰ ২৫ আগষ্টৰ ভিতৰত নাজিসকলৰ পৰা পেৰী" চহৰ মুক্ত কৰে।৪ চেপ্তেম্বৰত ব্ৰুছেল্ছো মুক্ত হয়।১৫ আগষ্টত মিত্ৰ শক্তিৰ এটি সেনাবাহিনীয়ে মধ্য আৰু দক্ষিণ ফ্ৰান্সৰ পৰা নাজিবাহিনীক আঁতৰাই পঠিয়ায়।১৯৪৫ চনৰ মাৰ্চ মাহত মিত্ৰ বাহিনীয়ে জাৰ্মানীৰ ৰাইন উপত্যকালৈ এবিমান হয়।অৱশেষত ইংগ-মাৰ্কিন আৰু ছোভিয়েট লাল ফৌজৰ আক্ৰমণত নাজি জাৰ্মানীৰ পতন হয়।

৩০ এপ্ৰিল তাৰিখে নাজিদলৰ নেতা হিটলাৰে আত্মহত্যা কৰে। সেইদৰে গোৱেবলেছে, হিমলাৰ আদিয়েও আত্মহত্যাৰ পথ বাচি লয়। বিশ্বৰ কৌটি কৌটি মানুহৰ জীৱনলৈ দুৰ্দশা

কঢ়িয়াই আনা ফেচিষ্টসকলৰ এইদৰে জীৱন অৱসান ঘটিছিল। জাৰ্মান ফেচিষ্টসকলৰ এইদৰে জীৱন অৱসান হোৱাৰ সময়তে বাৰ্লিন চহৰেও মিত্ৰপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰে। অৱশেষত ৭ মে’ তাৰিখে এডমিৰেল কাৰ্ল জেৰেনিজৰ নেতৃত্বত নাজি জাৰ্মানীয়েও মিত্ৰ বাহিনীৰ ওচৰত চৰ্তহীনভাবে আত্মসমৰ্পণ কৰে। ইয়াৰ লগে লগে বিশ্ব ইতিহাসৰ এক কলংকিত অধ্যায়ৰ অন্ত পৰে ।

**প্ৰশ্ন ৭। মাৰ্কিন যুক্তৰাষ্ট্ৰই কেনেকৈ জাপানক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰাইছিল তাৰ পৰিণতিসহ বিবৃত কৰা।**

**উত্তৰ:-** মাৰ্কিন যুক্তৰাষ্ট্ৰই দ্বিতীয় বিশ্বযুদ্ধত অংশগ্ৰহণ কৰি যিকোনো প্ৰকাৰে জাপানক পৰাভূত কৰিবলৈ প্ৰচেষ্টা চলায়। ইউৰোপত ফেচিষ্ট বাহিনীক পৰাজয় কৰিবলৈ মাৰ্কিন যুক্তৰাষ্ট্ৰই ব্ৰিটেইন আৰু ফ্ৰান্সক অস্ত্ৰ-শস্ত্ৰৰে সহায় কৰি আহি ছিল। গতিকে যুদ্ধত আমেৰিকাৰ অন্তৰ্ভূক্তিয়ে মিত্ৰশক্তিৰ যুদ্ধ জয় কৰি তোলে।

জাপানৰ সামৰিক অগ্ৰগতি ৰোধ কৰিবলৈ মাৰ্কিন যুক্তৰাষ্ট্ৰই প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দুখন ভয়ানক নৌ-যুদ্ধত অৱতীৰ্ণ হৈছিল। প্ৰথমখন হৈছিল ১৯৪২ চনৰ মে’ মাহত অষ্ট্ৰেলিয়া আৰু ছলোমান দ্বীপপুঞ্জৰ মাজৰ কোৰেল উপসাগৰত।এই যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত জাপানৰ নৌ-বাহিনী ব্যাপক ৰূপত ক্ষতিগ্ৰস্ত হয়।দ্বিতীয় যুদ্ধখন সংঘটিত হৈছিল জুন মাহত মধ্য প্ৰশান্ত মহাসাগৰৰ মিডওৱে দ্বীপৰ ওচৰত। মুঠতে চাৰি দিন ধৰি চলা এই তয়াময়া যুদ্ধত জাপান বিষমৰূপে পৰাভূত হয়। যুদ্ধত জাপানৰ ৫,০০০ সৈনিক মৃত্যুমুখত পৰাৰ লগতে ৩২২ খন যুঁজাৰু বিমান, চাৰিখন পৰিবহণ জাহাজ আৰু এখন ক্ৰুইজাৰ সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হয়।

এই পৰাজয়ৰ পিছত জাপানৰ অগ্ৰগতি ৰুদ্ধ হৈ যায়। ১৯৪৪ জনৰ জুন জুলাই মাহত আমেৰিকা যুক্তৰাষ্ট্ৰই জাপানৰ ওপৰত আক্ৰমণ চলায়। জাপানৰ বিৰুদ্ধে মাৰ্কিন সৈন্যই এইদৰে অগ্ৰগতি লাভ কৰা দেখি জাপানৰ সম্ৰাট হিৰ’হিটোৱে প্ৰধানমন্ত্ৰী ট’’জোৰ ওপৰত আস্থা হেৰুৱাই ৯ জুলাইত তেওঁক পদত্যাগ কৰিবলৈ বাধ্য কৰায় আৰু কাইজোক প্ৰধানমন্ত্ৰী পাতে। তাৰ পিছতো যুদ্ধত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অগ্ৰগতি অব্যাহত থাকে আৰু অক্টোৱৰ মাহত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ জেনেৰেল মেক আৰ্থাৰে ফিলিপাইন দখল কৰে।তেওঁ নৱেম্বৰ মাহত জাপানৰ হনছিও দ্বীপটো দখল কৰি ১৯৪৫ চনৰ ফেব্ৰুৱাৰী মাহত মেনিলা অধিকাৰ কৰে।১৯৪৫ চনৰ ৯ মাৰ্চত বোমাৰু বিমানেৰে মাৰ্কিন যুক্তৰাষ্ট্ৰই কৰা আক্ৰমণত টকিঅ’ চহৰৰ প্ৰায় ১৫ বৰ্গমাইলৰ এলেকা এটি সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হয়। এই আক্ৰমণত বহুতো লোক হতাহত হোৱাৰ উপৰিও গৃহহীনো হয়।

এপ্ৰিল মাহৰ ১ তাৰিখে আমেৰিকাৰ দশম সেনাবাহিনীটোৱে আকিনাৱা দ্বীপত উপনীত হোৱাৰ লগে লগে জাপানত কিছু ৰাজনৈতিক পৰিৱৰ্তন হোৱা দেখা যায়। এই ঘটনাৰ

ফলত প্ৰধানমন্ত্ৰী কাইজোৱে পদত্যাগ কৰে আৰু এডমিৰেল ছুজুকীক প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰা হয়।

ইফালে ১৯৪৩ চনৰ আগষ্ট মাহত জাপানৰ বিৰুদ্ধে যুদ্ধ পৰিচালনা কৰাৰ বাবে ব্ৰিটিছ এডমিৰেল লৰ্ড লুই মাউণ্টবেটেনৰ নেতৃত্বত দক্ষিণ-পূৰ্ব এছিয়া কামাণ্ড গঠন কৰা হয়। এই কামাণ্ডৰ অধীনত মিত্ৰ পক্ষই ১৯৪৩-৪৫ চনৰ ভিতৰত ব্ৰহ্মদেশ, মালয়, ছিংগাপুৰ আৰু চীনত জাপানী সৈন্যক বিপৰ্যস্ত কৰি -তোলে।

এই সময়তে জাৰ্মানীত পট্ছডাম সম্মিলন অনুষ্ঠিত হয়।১৯৪৫ চনৰ ১৭ জুলাইত অনুষ্ঠিত এই শীৰ্ষ সম্মিলনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট হেৰি. এছ. ট্ৰুমেন, ব্ৰিটিছ প্ৰধানমন্ত্ৰী এট্লি আৰু চীনৰ জাতীয়তাবাদী নেতা উপস্থিত আছিল। এই নেতাসকলে জাপানক হয়তো আত্মসমৰ্পণ কৰিব নাইবা নিশ্চিত ধ্বংসৰ বাবে সাজু হ'বলৈ সতৰ্ক কৰি দিছিল।

ইতিমধ্যে ইউৰোপৰ ৰণাংগণত ছোভিয়েট ৰাচিয়াৰ অগ্ৰগতিয়ে ব্ৰিটেইনৰ ভুৰ্তপূৰ্ব প্ৰধানমন্ত্ৰী উইনষ্টন ছাৰ্চিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট হেৰী এছ. ট্ৰুমেনক চিন্তিত কৰি তুলিছিল।প্ৰশান্ত মহাসাগৰীয় অঞ্চলতো ছোভিয়েটৰ ভূমিকাই ট্ৰুমেনক যথেষ্ট শংকিত কৰি তুলিছিল। গতিকে সেই অঞ্চলত ছোভিয়েট ৰাচিয়াই বিশেষ একো কৰিবলৈ পাওতেই যুদ্ধৰ গতিধাৰা নিজৰ নিয়ন্ত্ৰণত ৰাখিবৰ বাবে মাৰ্কিন প্ৰেছিডেণ্ট ট্ৰুমেনে জাপানৰ হিৰোচিমা আৰু নাগাচাকি নামে দুখন চহৰত আণৱিক বোমা নিক্ষেপ কৰোৱাই হাজাৰ হাজাৰ লোকক নিহত কৰাৰ লগতে দুয়োখন চহৰ প্ৰায় ধ্বংসস্তূপত পৰিণত হয়।

এই পাশৱিক ঘটনাৰ পিছতে জাপানী সৈন্যই দক্ষিণ-পূৰ্ব এছিয়া, চীন আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিভিন্ন ঠাইত মিত্ৰ পক্ষৰ ওচৰত আত্মসমৰ্পণ কৰে।১৯৪৫ চনৰ ১৫ আগষ্টৰ দিনা দক্ষিণ-পূৰ এছিয়াত জাপানী সৈন্যই এডমিবেল লৰ্ড মাউণ্টবেটেনৰ ওচৰত আত্মসমৰ্পণ কৰে। সেইদৰে জাপানী সৈন্যই মাঞ্চুৰিয়াত ছোভিয়েট লাল ফৌজৰ ওচৰত আৰু চীনত ছিয়াং কাই-ছেক আৰু চীনা কমিউনিষ্টসকলৰ ওচৰত আত্মসমৰ্পণ কৰে।সৰ্বশেষত জাপানী সৈন্যই ২ ছেপ্তেম্বৰ তাৰিখে চৰ্তবিহীনভাৱে ট'কিঅ উপসাগৰত মিছৌৰী নামে মাৰ্কিন যুদ্ধ জাহাজত জেনেৰেল ডাগলাছ মেক আৰ্থাৰৰ ওচৰত আত্মসমৰ্পণ কৰে। ইয়াৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধ আনুষ্ঠানিকভাৱে সমাপ্তি ঘটা দেখা যায়।

**প্ৰশ্ন ৮। দ্বিতীয় বিশ্বযুদ্ধৰ তৎক্ষণিক পৰিণতি কি আছিল আলোচনা কৰা।**

**উত্তৰ:-** দ্বিতীয় বিশ্বযুদ্ধৰ তৎক্ষণিক পৰিণতিৰ বিষয়ে আলোচনা কৰা হ'ল। এই যুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰত্যক্ষভাৱে আক্ৰান্ত হোৱা নাছিল। আনহাতে এই সময়ছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰ যুদ্ধৰ অস্ত্ৰশস্ত্ৰ নিৰ্মাণৰ এক বিশাল কাৰখানালৈ পৰিৱৰ্তিত হৈছিল। মিত্ৰ পক্ষই এই অস্ত্ৰ-শস্ত্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ক্ৰয় কৰি নিছিল।গতিকে যুদ্ধৰ পৰৱৰ্তীকালছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হৈ ৰৈছিল আৰু এই দেশ বিভিন্ন দেশক অৰ্থনৈতিক পুনৰ গঠনৰ বাবে বিপুল পৰিমাণৰ অৰ্থৰ যোগান ধৰিব পাৰিছিল। ফলত এই দেশ বিশ্বৰ অন্যতম বৃহৎ শক্তিত পৰিণত হ'ব পাৰিছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰিও কানাডা আৰু দক্ষিণ আমেৰিকাৰ দেশসমূহো যুদ্ধৰদ্বাৰা অৰ্থনৈতিকভাৱে লাভান্বিত হৈছিল। আনহাতে উপৰ্যুপৰি সংঘটিত হোৱা জাৰ্মান আক্ৰমণে ব্ৰিটেইনৰ অৰ্থনীতি

সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলাইছিল। যুদ্ধৰ পূৰ্বে বিশ্বৰ অৰ্থনীতিত ইংলেণ্ডৰ যি অৱস্থান আৰু প্ৰতিপত্তি আছিল, যুদ্ধৰ শেষত তাৰ অৱসান ঘটিছিল। ব্ৰিটেইনৰ উপৰিও ইউৰোপৰ আন আন দেশবোৰৰো অৰ্থনৈতিক অধঃপতন ঘটিছিল। ঘৰ-দুৱাৰ, কল-কাৰখানা, খেতি-পথাৰ সকলো ধ্বংসপ্ৰাপ্ত হৈ হাজাৰ

হাজাৰ লোক কৰ্মহীন, গৃহহীন আৰু প্ৰতিপক্ষৰ হাতত যুদ্ধবন্দী হৈ পৰিছিল। ১৯৪৬ চনত ইটালী এখন প্ৰজাতন্ত্ৰত পৰিণত হৈছিল। যুদ্ধৰ ফলত ইটালীয়ে নিজৰ সকলো উপনিৱেশ হেৰুৱাৰ উপৰিও অৰ্থনৈতিকভাৱেও দুৰ্বল হৈ পৰিছিল।

এই যুদ্ধৰ দ্বাৰা জাৰ্মানীও অতি ভয়ানকভাৱে ক্ষতিগ্ৰস্ত হৈছিল। অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক সকলো দিশতে ক্ষতিগ্ৰস্ত এই দেশখন সম্পূৰ্ণ মুহ্যমান হৈ পৰিছিল। দেশখন দুটা ভাগত বিভক্ত কৰি পূৱফালে ছোভিয়েট ৰাচিয়া আৰু পশ্চিমফালে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড আৰু ফ্ৰান্সে আধিপত্য স্থাপন কৰিছিল। ছোভিয়েট ৰাচিয়াৰ অধিকৃত অঞ্চলৰ নাম হয় জাৰ্মান গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ আৰু অন্য অঞ্চলৰ নাম হয় জাৰ্মান ফেডাৰেল ৰিপাব্লিক।

দ্বিতীয় বিশ্বযুদ্ধৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাছিয়া বিশ্বত প্ৰধান ৰাজনৈতিক শক্তিৰূপে পৰিগণিত হয়। এই দুয়োখন ৰাষ্ট্ৰ দুটা পৃথক আৰু পৰস্পৰবিৰোধী ৰাজনৈতিক মতাদৰ্শত বিশ্বাসী আছিল। এটা পুঁজিবাদী আদৰ্শত বিশ্বাসী আৰু আনটো সমাজবাদী আদৰ্শত বিশ্বাসী। ইয়াক কেন্দ্ৰ কৰিয়েই বিশ্বৰ দেশসমূহৰ মাজত ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু তাৰ লগে লগে শীতল যুদ্ধৰ আৰম্ভ হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধত জাপানেও যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছিল। ৰাজনৈতিকভাৱে জাপানে তৎকালেই নিজৰ সাৰ্বভৌমত্ব আৰু স্বাধীনতা হেৰুৱাই পেলাইছিল। অৱশেষত জাপানৰ

সমৰকৰ্তা তথা ভূতপূৰ্ব প্ৰধানমন্ত্ৰী ট জোসহ অন্যান্য কেইজনমানক যুদ্ধৰ অপৰাধী গণ্য কৰি ফঁচী দি হত্যা কৰা হৈছিল।

১৯৫১ চনত জাপানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছানফ্ৰাঞ্চিছকো চহৰত বিশ্বৰ ৪৯ খন ৰাষ্ট্ৰৰ সৈতে এটি চুক্তি সম্পাদন কৰি নিজৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ওভোটাই পাইছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ ফলত বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ অস্ত পৰাৰ প্ৰক্ৰিয়াৰ সূচনা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ ফলত ইংলেণ্ডৰ ৰাজনৈতিক, সামৰিক আৰু অৰ্থনৈতিক শক্তি সামৰ্থ্য কমি অহাত সেই দেশৰদ্বাৰা পদানত ভাৰতবৰ্ষকে ধৰি বিশ্বৰ বহু দেশক আৰু অধিক কালৰ বাবে নিয়ন্ত্ৰণ কৰি ৰখাটো অসম্ভৱ হৈ পৰিল। এছিয়া মহাদেশত প্ৰথমে ফিলিপাইনে ১৯৪৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা আৰু ভাৰত আৰু পাকিস্তানে ১৯৪৭ চনত ব্ৰিটেইনৰ পৰা স্বাধীনতা লাভ কৰাৰ লগে লগে বিশ্বত সাম্ৰাজ্যবাদ আৰু ঔপনিৱেশিকতাবাদৰ অস্ত পৰিবলৈ ধৰে। এয়াই হৈছে দ্বিতীয় মহাযুদ্ধৰ স্থায়ী আৰু গুৰুত্বপূৰ্ণ পৰিণতি।